অসম চৰকাৰ

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়

**প্ৰকল্প ৰূপায়ন পৰিচালনা কেন্দ্ৰ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প**

আমবাৰী, গুৱাহাটী- ১

# জাননী

ইয়াৰ দ্বাৰাই ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, অসম চৰকাৰৰ সৌজন্যত, বিশ্ব বেংকৰ আৰ্থিক সাহাৰ্যৰে ৰূপায়িত আৰু ARIAS Society ৰ দ্বাৰা পৰিচালিত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ (Assam Agribusiness and Rural Transformation Project- APART) অধীনত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ জৰিয়তে তলত উল্লেখ কৰা জিলাসমূহৰ অন্তৰ্গত উল্লেখিত উন্নয়ন খণ্ডৰ অধীনত থকা ইচ্ছুক মুগা আৰু এৰী বস্ত্ৰ উৎপাদনৰ সৈতে জড়িত শিপিনী, আত্ম সহায়ক গোট আৰু উদ্যোগীৰ পৰা নিৰ্দিষ্ট প্ৰ-পত্ৰত হিতাধীকাৰী নিৰ্বাচনৰ বাবে আবেদন বিচৰা হৈছে। আবেদন প্ৰ-পত্ৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সংশ্লিষ্ট জিলাৰ সহকাৰী সঞ্চালক/অধীক্ষকৰ কাৰ্যালয়ৰ পৰা ইংৰাজী ০২/০৯/২০১৯ তাৰিখৰ পৰা বিনামূলীয়াকৈ সংগ্ৰহ কৰিব পাৰিব। প্ৰ-পত্ৰসমূহ ইংৰাজী ১৬/০৯/২০১৯ তাৰিখৰ ভিতৰত সংশ্লিষ্ট জিলাৰ সহকাৰী সঞ্চালক/অধীক্ষকৰ কাৰ্যালয়ত জমা দিব লাগিব। প্ৰকল্পৰ বিষয়ে সবিশেষ জানিবৰ বাবে ARIAS Society ৰ ৱেবচাইট www.arias.in আৰু আবেদন পত্ৰ ডাউনলোড কৰিবৰ বাবে বিভাগীয় ৱেবচাইট www.dht.assam.gov.in চাব পাৰিব।

| জিলাৰ নাম | উন্নয়ন খণ্ড | হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|
| কামৰূপ আৰু কামৰূপ মহানগৰ | বকো, ছয়নী বৰদুৱাৰ, ডিমৰীয়া, ৰামপুৰ, ছয়গাওঁ, শুৱালকুছি, ৰাণী, বনগাওঁ | ১৬০০ |
| লখিমপুৰ | বগীনদী, ঘিলামৰা, ঢকুৱাখনা, নাৰায়ণপুৰ, উত্তৰ লখিমপুৰ | ১২০০ |
| শিৱসাগৰ | আমগুৰি, শিৱসাগৰ, ডিমৌ, গৌৰীসাগৰ, নাজিৰা | ১০০০ |
| চৰাইদেউ | সোণাৰি, সাপেখাটী, লাকুৱা | ৬০০ |
| যোৰহাট | ঢেকৰগৰা, তিতাবৰ, কলিয়াপানী, চিপাহীখোলা | ১১০০ |
| মাজুলী | মাজুলী, উজনি মাজুলী | ৫০০ |
| শোণিতপুৰ | বালিপাৰা | ২৫০ |
| বিশ্বনাথ | চাকুমাথা, পূব ছয়দুৱাৰ, বিহালী, বিশ্বনাথ | ৭৫০ |
| | সৰ্বমুঠ | ৭০০০ |

**হিতাধিকাৰী নিৰ্বাচনৰ বাবে চৰ্তাৱলী-**

- আবেদনকাৰীয়ে প্ৰকল্পৰ অন্তৰ্গত আঁচনিমতে কাম কৰিবলৈ সন্মত হব লাগিব।
- আবেদনকাৰী মুগা বা এৰী উৎপাদনৰ লগত জড়িত হোৱা ব্যক্তি হ'ব লাগিব।
- আত্ম সহায়ক গোট, হস্ততাঁত সমবায় সমিতি, উদ্যোগী বা অন্যান্য আবেদনকাৰীৰ ক্ষেত্ৰত তেওঁলোকৰ সৈতে জড়িত শিপিনীসকলৰ তালিকা লগত গাঁঠি দিব লাগিব।
- আবেদনকাৰী আঁচনিৰ প্ৰয়োজন অনুসাৰে তেওঁৰ নিৰ্ধাৰিত পৰিমানৰ অংশ (২০ শতাংশ)জমা দিব পৰাকৈ সমৰ্থবান আৰু আগ্ৰহী হ'ব লাগিব।
- আবেদনকাৰীৰ বয়স ১৮ বছৰৰ পৰা ৫০ বছৰৰ ভিতৰত হব লাগিব।
- উপযুক্ত আবেদনকাৰীক জিলা পৰ্যায়ৰ সমন্বয় কমিতি (DLCC) য়ে হিতাধীকাৰী হিচাপে নিৰ্বাচন কৰিব।
- আবেদনকাৰীৰ যিকোনো স্বীকৃত অথবা ৰাষ্ট্ৰীয়কৃত বেংকত একাউণ্ট থকাটো বাধ্যতামূলক।
- হিতাধীকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰকল্পৰ দ্বাৰা নিৰ্ধাৰিত সকলো চৰ্তাৱলী মানি চলা হব।

স্বাক্ষৰ

সঞ্চালক

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়,

অসম